জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ১১/২০২৩**

## স্বনিৰ্ভৰ নাৰী আঁচনিৰ অধীনত ক্ৰয় প্ৰক্ৰিয়াৰ শুভাৰম্ভ কৰিলে মুখ্যমন্ত্ৰীয়ে

### ৰাজ্যৰ ৪.৮০ লাখ শিপিনীৰ হাতে বোৱা গামোচা বিক্ৰীৰ বাবে ১০০ টা ক্ৰয় কেন্দ্ৰৰ ব্যৱস্থা

### অসমীয়া গোমোচাক দেশ-বিদেশত জনপ্ৰিয় কৰি তোলাৰ বাবে প্ৰধানমন্ত্ৰীলৈ কৃতজ্ঞতা ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৩ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি অসম চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰশিল্প সঞ্চালকালয়ৰ উদ্যোগত কোনো মধ্যভোগী জড়িত নোহোৱাকৈ চৰকাৰী সংস্থাৰ দ্বাৰা হাতে বোৱা সামগ্ৰী প্ৰত্যক্ষ ক্ৰয়ৰ জৰিয়তে ৰাজ্যৰ থলুৱা শিপিনীসকলক সৱলীকৰণৰ লক্ষ্যৰে ৰূপায়িত স্বনিৰ্ভৰ নাৰী আঁচনিখনৰ অধীনত ক্ৰয় প্ৰক্ৰিয়াৰ শুভাৰম্ভ কৰে। উল্লেখ্য যে স্বনিৰ্ভৰ নাৰী অনলাইন পোৰ্টেলৰ জৰিয়তে পোনপটীয়াকৈ শিপিনীসকলৰ পৰা তেওঁলোকৰ উৎপাদিত পৰম্পৰাগত বস্ত্ৰ ক্ৰয় কৰাৰ যাৱতীয় ব্যৱস্থা বিভাগে হাতত লৈছে। ইতিমধ্যে তাঁত শাল থকা প্ৰায় ৪.৮০ লাখ গৰাকী শিপিনীয়ে তেওঁলোকৰ নিজৰ নাম পোৰ্টেলত পঞ্জীয়ন কৰিছে। অসমৰ বিভিন্ন স্থানত ১০০ টা এনে ক্ৰয় কেন্দ্ৰ স্থাপন কৰা হৈছে। পঞ্জীয়নকৃত প্ৰতিগৰাকী শিপিনীয়ে নিৰ্দিষ্ট মানদণ্ডসূচক ১০০ খন বস্ত্ৰ এই পোৰ্টেলৰ যোগেদি ক্ৰয় কেন্দ্ৰত জমা দিব পাৰিব। ক্ৰয় কৰা বস্ত্ৰৰ বিপৰীতে শিপিনীগৰাকীৰ বেংক একাউণ্টত বিক্ৰীমূল্য জমা হ'ব।

গুৱাহাটীৰ আমবাৰীস্থিত হস্ততাঁত আৰু বস্ত্ৰশিল্প সঞ্চালকালয়ৰ চৌহদত আয়োজিত এই ক্ৰয় প্ৰক্ৰিয়াৰ শুভাৰম্ভণি অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই আশা প্ৰকাশ কৰে যে শিপিনীসকলৰ পৰা পোনপটীয়াকৈ হাতেৰে বোৱা সামগ্ৰী ক্ৰয় কৰাৰ পদক্ষেপে ৰাজ্যৰ পৰম্পৰাগত হস্ততাঁত খণ্ডত সুৰক্ষা প্ৰদানৰ দিশতো নিৰ্ণায়ক ভূমিকা প্ৰদান কৰা হৈছে। অসমীয়া নাৰীয়ে নিজৰ তাঁতশালত সপোন ৰচিব পাৰে বুলি মহামানৱ মহাত্মা গান্ধীৰ বিখ্যাত উক্তিৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই কলাই অসমৰ সাংস্কৃতিক পৰিচয় বহন কৰি আহিছে। তেওঁ লগতে কয় যে তাঁতশালত উৎপাদিত সামগ্ৰীয়ে বজাৰত উপযুক্ত মূল্য লাভ নকৰা বাবে তেওঁলোক ক্ষতিগ্ৰস্ত হ'বলগীয়া হৈছিল। অসমৰ হস্ততাঁত আৰু বস্ত্ৰশিল্পৰ এখন ঘৰুৱা বজাৰৰ উপৰি আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ বৃহৎ বজাৰ আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে যে আজিৰ এই পদক্ষেপে ৰাজ্যৰ হস্ততাঁত আৰু বস্ত্ৰশিল্প খণ্ডৰ উন্নয়নৰ ক্ষেত্ৰত যথেষ্ট পৰিমাণে সহায়ক হৈ উঠিব। মুখ্যমন্ত্ৰীয়ে কয় যে স্বনিৰ্ভৰ নাৰী আঁচনিয়ে আমাৰ শিপিনীসকলক অৰ্থনৈতিক সুৰক্ষা প্ৰদান কৰিব। তেওঁ লগতে কয় যে আজি  সূচনা কৰা এই প্ৰক্ৰিয়াই তেওঁলোকে বিনিয়োগ কৰা ধন সময়মতে আৰু উপযুক্তভাৱে লাভ কৰাটো সুনিশ্চিত কৰিব।

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

১৯৮৫ চনৰ কেন্দ্ৰীয় হস্ততাঁত (উৎপাদনৰ বাবে সামগ্ৰী সংৰক্ষণ) আইনৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ইয়াৰ জৰিয়তে ১১ বিধ সামগ্ৰী পাৱাৰলুমত উৎপাদন কৰাটো নিষিদ্ধ কৰা হৈছে। আনহাতে, বিক্ৰী নিষিদ্ধৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ইয়াৰ উৎপাদন কেৱল হস্ততাঁত খণ্ডতহে সংৰক্ষিত হৈ থাকিব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে এই আইনখন অসমত কঠোৰভাৱে ৰূপায়ণ কৰা হ'ব আৰু আইন উলংঘাকাৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। চৰকাৰী সংস্থাসমূহ এই দিশত যথোপযুক্ত প্ৰচাৰ চলাব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশ তথা বিদেশৰ বিভিন্ন চৰকাৰী অনুষ্ঠানসমূহত অসমীয়া গামোচা পৰিধান কৰি ইয়াৰ জনপ্ৰিয়তা বৃদ্ধি কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰীগৰাকীক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ লগতে কয় যে গামোচাৰ জিঅ টেগে অসমীয়া গামোচা জনপ্ৰিয়কৰণতো প্ৰভাৱ পেলাব।

ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে ৰাজকীয় পৃষ্ঠপোষকতাত আহোমসকলৰ হাতে বোৱা গামোচা আৰু তেনে ধৰণৰ সামগ্ৰীসমূহৰো প্ৰসংগ দাঙি ধৰে। বয়ন শিল্পৰ পৰম্পৰাৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে চীনা পৰিব্ৰাজক হিউয়েন চাঙৰ লিখনিৰ পৰা সেই সময়ত অসমৰ পৰম্পৰাগত হস্তশিল্পই ভৌগোলিক পৰিধি অতিক্ৰম কৰাৰ কথা জনা যায় বুলি উল্লেখ কৰে।

আজিৰ এই অনুষ্ঠানত হস্ততাঁত বস্ত্ৰশিল্প আৰু ৰেচম বিভাগৰ মন্ত্ৰী ইউ জি ব্ৰহ্মৰ লগতে কেবিনেট মন্ত্ৰীসকল ক্ৰমে নন্দিতা গাৰ্লোচা, অজন্তা নেওগ, পৰিমল শুক্লবৈদ্য, অতুল বৰা, যোগেন মহন, সঞ্জয় কিষাণ আৰু সাংসদ কুইন ওজা প্ৰমুখ্যে গণ্য-মান্য লোকসকল উপস্থিত থাকে।

**অঃহাঃ / পুঃডেঃ**
**১৩/১/২০২৩**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in